
প্ৰতিশ্ৰুতি দিয়া হয় আৰু বৈদেশিক মুদ্ৰা লেন-দেনকাৰীসকলে বিক্ৰি প্ৰতিষ্ঠানসমূহৰ লগত বৈদেশিক বিনিয়োগ ক্ৰয় কৰিবৰ বাবে চুক্তি কৰি এটা নিৰ্দিষ্ট সময়ৰ পাছত আৱশ্যকীয় মুদ্ৰা স্থিৰ হাৰত পৰিশোধ কৰে।

4.4. **বৈদেশিক ভাৰসাম্য বিনিময় হাৰ নিৰ্ধাৰণ** (Determination of Equilibrium Exchange Rate)**ঃ** দুখন দেশৰ প্ৰৱাহিত মুদ্ৰা যি হাৰত বিনিময় সাধন কৰা হয় তাকেই বৈদেশিক বিনিময় হাৰ বোলা হয়। অৰ্থাৎ এখন দেশৰ প্ৰৱাহিত মুদ্ৰাৰ মূল্য অন্য এখন দেশৰ প্ৰৱাহিত মুদ্ৰাৰ মূল্যৰ মানত নিৰূপন কৰা কাৰ্য্যকে বৈদেশিক বিনিময় হাৰ বোলে। উল্লেখযোগ্য যে দুখন দেশৰ মাজৰ বৈদেশিক বিনিময় হাৰ স্থিৰ হৈ নেথাকিবও পাৰে। ইয়াৰ কাৰণ কিছুমান কাৰকে প্ৰতিখন দেশৰ প্ৰৱাহিত মুদ্ৰাৰ ওপৰত অনুকূল বা প্ৰতিকূল প্ৰভাৱ পেলাব পাৰে। যিহেতু বিনিময় হাৰ এখন দেশৰ প্ৰৱাহিত মুদ্ৰাৰ মানত এন্য এখন দেশৰ প্ৰৱাহিত মুদ্ৰাৰ প্ৰকাশিত দৰ, এনে দৰ অন্যান্য সামগ্ৰীৰ দৰ নিৰ্ধাৰণৰ দৰেই মূল্যৰ সাধাৰণ তত্ত্বৰ ভিত্তিত নিৰ্ধাৰণ কৰা হয়। অৰ্থাৎ কোনো এখন দেশৰ বৈদেশিক মুদ্ৰাৰ প্ৰতি চাহিদা আৰু বৈদেশিক মূদ্ৰাৰ যোগানৰ ভিত্তিত দেশখনৰ প্ৰৱাহিত মুদ্ৰাৰ বৈদেশিক বিনিময় হাৰ নিৰ্ধাৰণ কৰা হয়। তলত বৈদেশিক মুদ্ৰাৰ চাহিদা আৰু যোগানৰ ভিত্তিত ভাৰসাম্য বিনিময় হাৰ কেনেদৰে নিৰ্ধাৰণ কৰিব পাৰি তাক ব্যাখ্যা কৰা হ'ল।

4.4.1 **বৈদেশিক বিনিময় মুদ্ৰাৰ প্ৰতি চাহিদা** (Demand for Foreign Exchange)**ঃ** বৈদেশিক বিনিময় হাৰ আৰু বৈদেশিক মুদ্ৰাৰ চাহিদাৰ যি সম্পৰ্ক উক্ত সম্পৰ্কক বৈদেশিক মুদ্ৰাৰ চাহিদা অনুসূচীয়ে প্ৰকাশ কৰে। সামগ্ৰী এবিধৰ দামৰ লগত তাৰ চাহিদাৰ পৰিমাণৰ সম্পৰ্ক যেনেদৰে বিপৰীত হয় ঠিক একেদৰে বৈদেশিক মুদ্ৰাৰ চাহিদাৰ লগত বৈদেশিক বিনিময় হাৰৰ সম্পৰ্ক ঠিক বিপৰীত হয়। অৰ্থাৎ বৈদেশিক বিনিময় হাৰ বাঢ়িলে বৈদেশিক মুদ্ৰাৰ চাহিদা হ্ৰাস পায় আৰু বৈদেশিক বিনিময় হাৰ কমিলে বৈদেশিক মুদ্ৰাৰ চাহিদা বাঢ়ে। এটা উদাহৰণৰ সহায়ত ধাৰণাটো সহজে ব্যাখ্যা কৰিব পৰা যায়। ধৰা হওক ভাৰতবৰ্ষত আমেৰিকান ডলাৰৰ চাহিদা বাঢ়িছে। এনে হোৱাৰ মূল কাৰণ হ'ল ভাৰতত আমেৰিকান দ্ৰব্য সামগ্ৰীৰ চাহিদা বৃদ্ধি পোৱাত ভাৰতে আমদানিৰ দেনা হিচাপে আমেৰিকান ডলাৰৰ চাহিদা বৃদ্ধি পায়। যদি ডলাৰৰ লগত ভাৰতীয় টকাৰ বিনিময় হাৰ আপেক্ষিকভাৱে বেছি হয় তেনেহ'লে ভাৰতলৈ

আমেৰিকাৰ আমদানিৰ পৰিমাণ কমিব আৰু ভাৰতীয় টকাৰ বিনিময় হাৰ উচ্চ হ'ব। তলৰ চিত্ৰৰে কথাষাৰ ব্যাখ্যা কৰিব পাৰি।




চিত্ৰ নং- 4.1

চিত্ৰ নং-4.1 ত OX অক্ষৰে আমেৰিকান ডলাৰৰ চাহিদা আৰু OY অক্ষৰে বিনিময় হাৰক প্ৰকাশ কৰা হৈছে। DD হ'ল বৈদেশিক বিনিময় মুদ্ৰা ডলাৰৰ চাহিদা ৰেখা। ৰেখাডাল বাওঁহাতে ওপৰৰ পৰা সোঁহাতে তললৈ বৈ পৰা হৈছে। ইয়াৰ কাৰণ বিনিময় হাৰ বাঢ়িলে আমেৰিকান ডলাৰৰ চাহিদা ভাৰতত কম হয় আৰু বিনিময় হাৰ কমিলে আমেৰিকান ডলাৰৰ চাহিদা ভাৰতত বেছি হয়। চিত্ৰত বিনিময় হাৰ $OR_0$ অৱস্থাত ডলাৰৰ চাহিদা $OQ_0$। কিন্তু ডলাৰৰ বিনিময় হাৰ $OR_1$ লৈ কমিলে বিনিময় হাৰ $OQ_1$ লৈ বাঢ়িব।

অৱশ্যে বিনিময় হাৰৰ কিমান পৰিৱৰ্তনে ডলাৰৰ (Doller) চাহিদাৰ কিমান পৰিৱৰ্তন ঘটাব সেইয়া চাহিদা ৰেখাডালৰ স্থিতিস্থাপকতাৰ ওপৰত নিৰ্ভৰ কৰে। এই ক্ষেত্ৰত আমদানি কৰা দ্ৰব্যৰ প্ৰকৃতি, আমদানি প্ৰতিকল্পনৰ উদ্যোগ প্ৰতিষ্ঠানৰ সম্প্ৰসাৰণ, প্ৰয়োজনীয় সময়সূচী আদিৰ ওপৰত নিৰ্ভৰশীল।


4.4.2 **বৈদেশিক বিনিময় মুদ্ৰাৰ যোগান** (Supply of Foreign Exchange) **:** ওপৰৰ আলোচনাত ভাৰসাম্য বৈদেশিক বিনিময় হাৰ ধাৰণাটোৰ ব্যাখ্যাত ভাৰতীয় মুদ্ৰা টকা আৰু আমেৰিকান মূদ্ৰা ডলাৰৰ সহায় লোৱা হৈছে। গতিকে বৈদেশিক বিনিময় মুদ্ৰাৰ যোগান ধাৰণাটো ব্যাখ্যাটো টকা আৰু ডলাৰকে আলোচ্য মুদ্ৰা হিচাপে গণ্য কৰা হৈছে। বৈদেশিক বিনিময়ৰ হাৰ আৰু বৈদেশিক বিনিময় মুদ্ৰাৰ যোগানৰ মাজৰ সম্পৰ্কক বৈদেশিক বিনিময়

মুদ্ৰাৰ যোগানৰ অনুসূচীয়ে প্ৰতিনিধিত্ব কৰে। তলত এনে এখন অনুসূচী দাঙি ধৰা হ'ল।

**তালিকা নং-1**

| ডলাৰ আৰু টকাৰ বিনিময় হাৰ | ডলাৰৰ যোগান (হাজাৰত) |
|---|---|
| $I = Rs. 50 | 10 |
| $I = Rs. 46 | 8 |
| $I = Rs. 42 | 6 |
| $I = Rs. 38 | 4 |
| $I = Rs. 34 | 2 |

1 নং তালিকাৰ পৰা এইটো স্পষ্ট যে আমেৰিকাৰৰ ডলাৰৰ মানত ভাৰতীয় টকাৰ বিনিময় হাৰ হ্ৰাসৰ ফলত ভাৰতত আমেৰিকান ডলাৰৰ যোগান হ্ৰাস পাইছে। অন্যহাতেদি আমেৰিকান ডলাৰৰ মানত ভাৰতীয় টকাৰ বিনিময় হাৰ বৃদ্ধি পালে ভাৰতত আমেৰিকান ডলাৰৰ যোগানো বৃদ্ধি পাব। কথাষাৰ আমি চিত্ৰ নং-4.2 ৰ যোগেদিও ব্যাখ্যা কৰিব পাৰে।




চিত্ৰ নং- 4.2

চিত্ৰত OX অক্ষৰে আমেৰিকান ডলাৰৰ যোগানৰ পৰিমাণক আৰু OY অক্ষৰে বিনিময় হাৰক প্ৰকাশ কৰা হৈছে। চিত্ৰত SS। হ'ল বৈদেশিক বিনিময়

মুদ্ৰাৰ যোগান ৰেখা। $SS_1$ ৰেখাডালৰ ডাল যোগাত্মক। ইয়াৰ কাৰণ বিনিময় হাৰ নিম্ন অৱস্থাত ডলাৰৰ যোগান কম হয় কিন্তু বিনিময় হাৰ উচ্চ অৱস্থাত ডলাৰৰ যোগানো বেছি হ'ব। ওপৰৰ আলোচনাৰ পৰা এটা কথা স্পষ্ট যে দেশ এখনৰ প্ৰৱাহিত মুদ্ৰাৰ যেতিয়া বৈদেশিক বিনিময় হাৰ বৃদ্ধি পায় তেতিয়া দেশখনত বৈদেশিক মুদ্ৰাৰ যোগান বৃদ্ধি পাব আৰু বিনিময় হাৰ হ্ৰাস পালে বৈদেশিক মুদ্ৰাৰ যোগান হ্ৰাস পায়। উল্লেখযোগ্য যে যেতিয়া দেশ এখনৰ বৈদেশিক বিনিময় হাৰ বৃদ্ধি পায় তেতিয়া দেশখনে বৈদেশিক মুদ্ৰা বিক্ৰি কৰি দেশীয় মুদ্ৰা আহৰণ লাভজনকভাৱে কৰিব পৰা যায়। সেইবাবে দেশৰ ৰপ্তানিকাৰীসকলে উপাৰ্জন কৰা বৈদেশিক মুদ্ৰাৰ যোগান বৃদ্ধি কৰে। পুনৰ দেশ এখনৰ বৈদেশিক বিনিময় হাৰ হ্ৰাস পালে দেশখনে বৈদেশিক মুদ্ৰা বিক্ৰি কৰি দেশীয় মুদ্ৰা আহৰণ কৰিলে লোকচান ভৰিব লগা হোৱাত দেশৰ ৰপ্তানিকাৰীসকলে উপাৰ্জন কৰা বৈদেশিক মুদ্ৰাৰ যোগান হ্ৰাস পায়।

উল্লেখযোগ্য যে বৈদেশিক ভাৰসাম্য বিনিময় হাৰ ধাৰণাটো ব্যাখ্যা কৰিবলৈ হ'লে বৈদেশিক বিনিময় হাৰৰ লগত ইয়াৰ চাহিদা আৰু যোগানৰ সম্পৰ্ক দুয়োখন দেশৰ দিশৰ পৰা বিচাৰ-বিশ্লেষণ কৰাৰ প্ৰয়োজন থাকে। উদাহৰণস্বৰূপে ভাৰতবৰ্ষৰ দৃষ্টিকোণৰ পৰা টকা আৰু ডলাৰৰ উচ্চ বিনিময় হাৰ চলি থকা অৱস্থাত ভাৰতবৰ্ষত আমেৰিকাৰ পৰা আমদানি সামগ্ৰীৰ চাহিদা ভাৰতীয় বজাৰত কমি যাব। লগতে আমেৰিকান ডলাৰৰ চাহিদাও হ্ৰাস পায়। কিন্তু ভাৰতীয় দৃষ্টিকোণৰ পৰা উচ্চ বিনিময় হাৰ মানে আমেৰিকাৰ দৃষ্টিকোণৰ পৰা নিম্ন বিনিময় হাৰকে প্ৰকাশ কৰে। অৰ্থাৎ আমেৰিকাৰ দৃষ্টিকোণৰ পৰা ডলাৰ আৰু টকাৰ নিম্ন বিনিময় হাৰ চলি থকাত ভাৰতীয় সেৱা-সামগ্ৰীৰ দাম আমেৰিকান বজাৰত আপেক্ষিকভাৱে সস্তা হোৱাত ভাৰতীয় সামগ্ৰীৰ চাহিদা আমেৰিকাৰ বজাৰত বৃদ্ধি পোৱাত আমেৰিকাত ভাৰতীয় টকাৰো চাহিদা বৃদ্ধি পাব। এতেকে দেখা গ'ল যে ভাৰতবৰ্ষৰ দৃষ্টিকোণৰ পৰা টকাৰ বিনিময় মূল্য হ্ৰাস পালে আমেৰিকাৰ দৃষ্টিকোণৰ পৰা ডলাৰৰ বিনিময় মূল্য বৃদ্ধি পায়।

4.4.3 **বৈদেশিক বিনিময় হাৰ নিৰ্ধাৰণ** (Determination of Foreign Exchange Rate) ঃ বৈদেশিক বিনিময় হাৰ নিৰ্ধাৰণ কৰিবলৈ হ'লে কোনো এখন দেশৰ বৈদেশিক বিনিময় চাহিদা ৰেখা আৰু বৈদেশিক বিনিময়ৰ যোগান ৰেখা দুয়োডাল ৰেখাৰ বিষয়ে জনা দৰকাৰ। ইয়াৰ কাৰণ যি বৈদেশিক বিনিময়ৰ